

# নমস্কাৰ

প্ৰকল্পৰ নাম:তাজমহল
বিষয়:ৰসায়ন বিজ্ঞান
শ্ৰেণী:দশম
প্ৰকল্প প্ৰস্তুতকাৰীৰ
নাম:শ্ৰীপূজা কাকতি
আৰম্ভণি:০৭/০৫/২০২১
সামৰণি:০৯/০৫/২০২১

আৰম্ভণি:বিশ্বৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহল বিশেষভাৱে উল্লেখযোগ্য। বৰ্তমান সময়ত তাজমহলে কেৱল ভাৰততে নহয়;গোটেই পৃথিৱীতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈ উঠিছে।ই পৃথিৱীৰ এক আকৰ্ষণীয় পৰ্যটনৰ স্থলী ৰূপে পৰিগণিত হৈছে।



তাজমহলৰ অৱস্থিতি:বিশ্ববিখ্যাত তাজমহল উত্তৰ প্ৰদেশৰ আগ্ৰা জিলাত অৱস্থিত। ই যমুনা নদীৰ পাৰত স্থিত। ই নতুন দিল্লীৰ পৰা প্ৰায় ২১০ কিমি দক্ষিণে অৱস্থিত।

তাজমহলৰ ইতিহাস:মোগল সম্ৰাট ছাহজাহানে তেঁওৰ পত্নী মমতাজ মহলৰ প্ৰতি থকা প্ৰেমৰ নিৰ্দশন স্বৰূপে তাজমহল বনাবলৈ বনুৱা লগাইছিল। এই তাজমহলটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল ১৬৩২ চনত আৰু শেষ হৈছিল ১৬৪৮ চনত।কিন্তু ইয়াৰ সম্পূৰ্ণ কাম ১৬৪৮ চনত শেষ হোৱা নাছিল। এই তাজমহলটো সম্পৰ্ণ হৈছিল ১৬৫৩ চনত।

## তাজমহলৰ পূৰ্বৰ দৃশ্য(A)



## তাজমহলৰ বৰ্তমানৰ দৃশ্য(B



তাজমহলৰ বৰ্তমানৰ অৱস্থা:যোৱা দুটা দশকত ভাৰতবৰ্ষৰ আটাইতকৈ বিখ্যাত পযটকৰ আকৰ্ষণৰ থল আগ্ৰাত অৱস্থিত তাজমহল(চিত্ৰ B)এক চিন্তনীয় বিষয় হৈ পৰিছে।বিশেষজ্ঞ সকলে সতৰ্কবাণী শুনাইছে যে বায়ু প্ৰদূষকবোৰে তাজমহলৰ বগা মাৰ্বল মলিন কৰি পেলাইছে।গতিকে দেখা যায় যে বায়ু প্ৰদূষকবোৰে কেৱল যে জীৱৰ ওপৰতে প্ৰভাৱ পেলায় এনে নহয়,ই জড় পদাৰ্থবোৰ যেনে-অট্টালিকা,স্মৃতি সৌধবোৰ আৰু মূৰ্তিবোৰ ক্ষতিসাধন কৰে।

তাজমহলৰ বৰণ হালধীয়া হোৱাৰ কাৰণ:আগ্ৰাৰ ওচৰে-পাজৰে থকা উদ্যোগসমূহ যেনে--ৰাবাৰ উদ্যোগ;যানবাহন উদ্যোগ;ৰাসায়নিক উদ্যোগ বিশেষকৈ মথুৰা তেল শোধানাগাৰ আদিয়ে ছালফাৰ-ডাই-অক্সাইড আৰু নাইট্ৰ'জেন ডাই অক্সাইড আদিৰ দৰে বায়ু প্ৰদূষক বায়ুমণ্ডলত বৃদ্ধি কৰাত সহায় কৰি আহিছে।

এই গেছবোৰে বায়ুমণ্ডলত থকা জলীয় বাস্প
লগত ৰাসায়নিক বিক্ৰিয়া কৰি ছালফিউৰিক
এছিড আৰু নাইট্ৰিক এছিড প্ৰস্তুত কৰে।এই
এছিডসমূহে বৰষুণৰ পানীক আম্লিক কৰে।
এনে ধৰণৰ বৰষুণক এছিড বৰষুণ বোলে।এই
বৰষুণে স্মৃতি সৌধৰ মাৰ্বলৰ ক্ষতিসাধন কৰে
এই ঘটনাটোক মাৰ্বল কেন্সাৰ বোলে। মথুৰা
তেল শোধানাগাৰৰ পৰা নিৰ্গত এলান্ধুবোৰে
তাজমহলৰ বগা মাৰ্বল হালধীয়া

মাৰ পৰামৰ্শ:মোৰ মতে তাজমহলৰ সৌন্দৰ্য্য
অটুত ৰাখিবলৈ হলে ইয়াৰ আশে-পাশে থকা
উদ্যোগসমূহে চি.এন.জি আৰু এল.পি.জিৰ
দৰে পৰিশোধিত গেছ ব্যৱহাৰ কৰা উচিত।
ইয়াৰ উপৰি তাজমহলৰ ওচৰে-পাজৰে চলো
যান-বাহনেও সীহ নথকা পেট্ৰোল ব্যৱহাৰ
কৰাটো উচিত। তদুপৰি বৃক্ষ ৰোপণৰ মাত্ৰা বৃ
কৰি প্ৰদষণৰ মাত্ৰা হ্ৰাস কৰিব পাৰো।

সামৰণি:শেষত মই এইটোৱে ক'ব বিছাৰো যে পৃথিৱীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহলো এটা গতিকে আমি ভাৰতবাসী হিচাপে ইয়াৰ স্বচ্ছতা আৰু পৰিচ্ছন্নতা বজাই ৰাখি তাজমহলৰ জনপ্ৰিয়তা আৰু অধিক  বঢাই তলিব পাৰো

# প্ৰকল্পৰ নাম:ইজিপ্ত ভ্ৰমণ
# বিষয়:ৰসায়ন বিজ্ঞান

ইজিপ্ত:বিশ্বৰ সপ্ত আৰ্শ্ব্য্যযকৰ বস্তুৰ ভিতৰত ইজিপ্তত থকা পিৰামিড অন্যতম। ই পৰ্যটকৰ আকৰ্ষণৰ স্থলী হৈ পৰিছে।প্ৰতি বছৰে তাত যথেষ্ট পৰিমাণে মানুহৰ সমাগম ঘটে।

## ফাৰাউনৰ শৱদেহ অন্ত্যেষ্টিক্ৰিয়া প্ৰক্ৰিয়া:

ইজিপ্তত বাস কৰা লোকসকলৰ মৃত্যু হ'লে মৃতজনৰ দেহত থকা হৃদযন্ত্ৰটোৰ বাহিৰে আ সকলো অংগ-প্ৰত্যংগবোৰ দেহৰ পৰা উলিয়া দিয়ে। তাৰ পিছত মৃতদেহটো ৪০ দিনৰ বাবে নিমখেৰ আৱৰণ দি থয় যাতে মৃতদেহটোৰ আদ্ৰতাখিনি শোষণ কৰি লয়। তাৰ পিছত মৃতদেহটো উলিয়াই আনি তাৰ ওপৰত তেল আৰু কিছুমান তেলজাতীয় পদাৰ্থ সানি দিয়

ইয়াৰ পিছত মৃতদেহটোক এখন কাঠৰ ওপৰত
উঠোৱা হয়। পুনৰ দেহটোৰ ওপৰত তেল আৰু
আঠা সানি দিয়া হয় যাতে শৰীৰটো কাঠডালৰ
লগত বান্ধ খায়।

# *Pic of Mummification*





প্ৰকৃততে নিমখ সানি দিয়াৰ কাৰণ:মৃতদেহটো যদিহে নিমখৰ আৱৰণ নিদিয়া কৈ থৈ দিয়া হয় তেন্তে,মৃতদেহটো গেলি-পচি যোৱাৰ সম্ভাৱনা থাকে। যদি মৃতদেহটো নিমখেৰে ঢাকি দিয়া হয় তেন্তে শৰীৰটোৰ শোষিত হৈ মৃতদেহটো ভালে থাকে।নিমখে মৃতদেহটোত বেক্টেৰিয়াউৎপন্ন হোৱাত বাধা দিয়ে। তাৰ পিছত কাপোৰেৰে দেহটো বান্ধি দিয়া হয়।

বৰ্তমান উপলদ্ধ অন্য ৰাসায়নিক পদাৰ্থসমূহ:মৃতদেহটোত নিমখ সানি দিয়াৰ সলনি যদি ছডিয়াম মেটাবাইছালফেট বা ছডিয়াম বেনজ'য়েট (যিটো আমি জাম আৰু জেলিনষ্ট নহ'বলে ব্যৱহাৰ কৰো)  তেতিয়াও মৃতদেহটো গেলি-পচি নাযাব।

ইয়াৰ ৰাসায়নিক সংকেত হ'ল=$Na_2S_2O_2$

# *Sodium Metabisulfate*



সামৰণি:এই প্ৰকল্পটোৰ পৰা আমি বুজিলো যে-ইজিপ্তৰ মৃতদেহসমূহক ভালে ৰাখিবলৈ যি নিমখ ব্যৱহাৰ কৰা হ'য় তাৰ সলনি আমি অন্য ৰাসায়নিক পদাৰ্থৰো সহায় ল'ব পাৰো। এনেকৈয়ে আমি মৃতদেহ এটা  বেয়া নোহোৱাকৈ অথবা গোন্ধ নোলোৱাকৈ সংৰক্ষণ কৰি ৰাখিব পাৰো।

# উৎস:Google And Wikipedia


ধন্যবাদ

Zoho Show

# তাজমহল আৰু ইজিপ্ত ভ্ৰমণ.pdf

(This PDF has been generated using Zoho Show)

To create beautiful presentations, download Zoho Show from Play Store https://zoho.to/cy7